بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

**৭ আৰু ৮ হিজৰী চনৰ কিছুমান যুদ্ধ আৰু অভিযানৰ প্ৰেক্ষাপটত নবী কৰিম (ছাঃ)ৰ জীৱনীৰ বৰ্ণনা তথা পাকিস্তানৰ আহমদী সকলৰ বাবে দোৱাৰ আবেদন**

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ্ আল-খামিছ (আইঃ)য়ে ১৮ এপ্ৰিল ২০২৫ চনত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

أَشۡهَدُ أَنۡ لَا إِلٰهَ إِلَّا اللّٰهُ وَحۡدَهُ لَا شَرِيۡكَ لَهُ وَأَشۡهَدُ أَنَّ مُحَمَّدًا عَبۡدُهُ وَرَسُوۡلُهُ أَمَّا بَعۡدُ فَأَعُوۡذُ بِاللّٰهِ مِنَ الشَّيۡطٰنِ الرَّجِيۡمِ. بِسۡمِ اللّٰهِ الرَّحۡمٰنِ الرَّحِيۡمِ. اَلۡحَمۡدُ لِلّٰهِ رَبِّ الۡعٰلَمِيۡنَ. الرَّحۡمٰنِ الرَّحِيۡمِ. مٰلِكِ يَوۡمِ الدِّيۡنِ. اِيَّاكَ نَعۡبُدُ وَاِيَّاكَ نَسۡتَعِيۡنُ. اِهۡدِنَا الصِّرَاطَ الۡمُسۡتَقِيۡمَ. صِرَاطَ الَّذِيۡنَ اَنۡعَمۡتَ عَلَيۡهِمۡ ۙ غَيۡرِ الۡمَغۡضُوۡبِ عَلَيۡهِمۡ وَلَا الضَّآلِّيۡنَ.

তাছাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে, আঁহজৰত (ছাঃ)ৰ জীৱনীৰ আলোকত কিছুমান যুদ্ধ আৰু অভিযান সম্পৰ্কে আজি উল্লেখ কৰিম। ইতিহাসত এটা অভিযান হজৰত উমৰু বিন খিতাব (ৰাঃ) তুৰবাৰ ফালে হৈছিল বুলি উল্লেখ পোৱা যায়। এই অভিযান শ্বাবান মাহৰ ৭ হিজৰীত হৈছিল। ৰছুলুল্লাহ (ছাঃ)য়ে হজৰত উমৰ বিন খিতাব (ৰাঃ)ক হাৱাজিন গোষ্ঠীৰ ফালে তুৰবা নামৰ ঠাইলৈ ত্ৰিশ জন ব্যক্তিৰ সৈতে পঠিয়াইছিল। এই অভিযানৰ কাৰণ এইটো আছিল যে ৰছুলুল্লাহ (ছাঃ)য়ে তুৰবাৰ ফালৰ পৰা ইছলামৰ বিৰুদ্ধে ষড়যন্ত্ৰ কৰাৰ সংবাদ পাইছিল। হজৰত উমৰ (ৰাঃ)য়ে ৰাওনা হ’ল যেতিয়া তুৰবাৰ বাসিন্দা সকলে (হজৰত উমৰ ৰাঃ ৰাওনা হোৱা বুলি) জানিব পাৰে তেতিয়া তেওঁলোকে তাৰ পৰা পলায়ন কৰে। হজৰত উমৰ (ৰাঃ)য়ে তেওঁলোকৰ অঞ্চলত যেতিয়া গৈ পায় তেতিয়া তাতে কোনেও নাছিল, কেৱল তেওঁলোকৰ সকলোবোৰ সা-সম্পদ আৰু জন্তুবোৰ তাতে আছিল। এই লোকসকল আছিল দুষ্ট স্বভাৱৰ। সেই কাৰণে তেখেত (ৰাঃ)য়ে সেই সকলোবোৰ সা-সম্পদ নিজৰ অধীন কৰি ওভতি আহিল।

আন এটা অভিযান বশ্বিৰ বিন ছাআদ ফিদকত বনু মুৰৰাৰ ফালে চলিছিল। এই অভিযান শ্বাবান মাহৰ ৭ হিজৰী তাৰিখত হজৰত বশ্বিৰ বিন ছাআদ (ৰাঃ)ৰ নেতৃত্বত হৈছিল। এই অভিযানৰ বিস্তাৰিত বিৱৰণ

এইটো বৰ্ণনা কৰা হৈছে যে ৰছুলুল্লাহ (ছাঃ)য়ে হজৰত বশ্বিৰ বিন ছাআদ (ৰাঃ)ক ত্ৰিশ জন চাহাবা (ৰাঃ)ৰ সৈতে ফিদক বিন বনু মুৰৰাৰ ফালে পঠিয়ায়। এই কথা স্পষ্ট হোৱা উচিত যে আঁহজৰত (ছাঃ)য়ে এই অভিযান বা যুদ্ধৰ বাবে সেই সময়ত লোক পঠিয়াইছিল যেতিয়া এই সংবাদ পাইছিল যে লোকসকলে ইছলামৰ বিৰুদ্ধে ষড়যন্ত্ৰ কৰি আছে। সেয়ে চাহাবা সকলে ৰাওনা হয় আৰু ছাগলী চৰোৱা সকলৰ সৈতে সাক্ষাৎ হয় তেওঁলোকক বনু মুৰৰা সন্দৰ্ভত সোধা হয়, তেওঁলোকে কয় যে বনু মুৰৰা নিজৰ উপত্যকাত আছে, নিজৰাৰ ফালে অহা নাই। চাহাবা (ৰাঃ)সকলে তেওঁলোকৰ ভেড়া-ছাগলী খেদি লৈ মদিনাৰ ফালে উভতি গ'ল; তেতিয়া বনু মুৰৰাই মাত দি লোকসকলক এই ঘটনাৰ বিষয়ে জনালে, তাৰ পিছত বনু মুৰৰাৰ লোকসকলে সেনা বাহিনী লৈ উভতি আহি মুছলমান সকলৰ ওপৰত আক্ৰমণ চলায়। গোটেই ৰাতি মুছলমান সকলে কাঁড় নিক্ষেপ কৰি থাকিল,ইমানে যে চাহাবা সকলৰ কাঁড় শেষ হৈ গ'ল, এইদৰে ৰাতি কটালে, ৰাতিপুৱা পুনৰায় বনু মুৰৰাই মুছলমান সকলৰ ওপৰত আক্ৰমণ চলায়, যাৰ ফলত হজৰত বশ্বিৰ (ৰাঃ)ৰ লগৰীয়া সকলক শ্বহীদ কৰি দিয়ে। তেখেত (ৰাঃ)য়ে সেই লোকসকলৰ সৈতে কঠোৰ যুদ্ধ জাৰি ৰাখিলে ইমানে যে তেওঁ ক্ষত-বিক্ষত হৈ পৰি যায়,তেওঁৰ ভৰিৰ গোৰাহত আঘাত পায়, তেওঁলোকে (শত্ৰুসকলে) ধাৰণা কৰিলে যে তেওঁ মৃত্যু বৰণ কৰিছে; কিন্তু তেওঁ সুৰক্ষিত আছিল। তাৰ পিছত বনু মুৰৰা নিজৰ ভেড়া-ছাগলী লৈ উভতি যায়।

ইয়াৰ পিছত আৰু এটা অভিযান হজৰত ঘালিব বিন আব্দুল্লাহ লায়ছি (ৰাঃ)মিফাৰ ফালে হোৱা বুলি উল্লেখ আছে। এই অভিযান ৰমজান মাহৰ ৭ হিজৰী তাৰিখত হৈছিল। ইবনে ছাআদে লিখিছে যে ৰছুলুল্লাহ (ছাঃ)য়ে তেখেত (ৰাঃ)ক বনু আৱাল আৰু বনু আবদ বিন ছাআলবাৰ ফালে ৰাওনা কৰিছিল, সেই ঠাইখন আছিল মিফা। তেওঁলোকে মুছলমান সকলৰ বিৰুদ্ধে নেতিবাচক ষড়যন্ত্ৰ কৰি লোকসকলক একগোট কৰা আৰম্ভ কৰিছিল যাতে আৰবৰ দলৰ নিচিনা কোনো বিশাল পদক্ষেপ ল'ব পাৰে। ৰছুলুল্লাহ (ছাঃ)য়ে তেখেত (ৰাঃ)ক ১৩০ জন চাহাবা (ৰাঃ)ৰ সৈতে ৰাওনা কৰে। হজৰত ৰছুলে কৰিম (ছাঃ)ৰ স্বাধীন কৃতদাস হজৰত ইছাৰ (ৰাঃ) তেওঁলোকৰ নেতৃত্ব কৰি আছিল। মুছলমান সকলে একেলগে তেওঁলোকৰ ওপৰত আক্ৰমণ চলাই তেওঁলোকৰ জনসাধাৰণৰ মাজত সোমাই পৰিল। তেওঁলোকৰ ফালৰ যিয়ে যুদ্ধৰ বাবে আগবাঢ়িছিল তেওঁক হত্যা কৰি পেলোৱা হ'ল; ইয়াৰ পিছত যুদ্ধলব্দৰ ভেড়া-ছাগলী মদিনালৈ লৈ আহে, তেওঁলোকৰ মাজৰ কাৰোবাক বন্দী বনোৱা হোৱা নাছিল।

ইবনে ছাআদ (ৰহঃ)য়ে লিখিছে যে এইটো সেই অভিযান য'ত হজৰত উছামা বিন জায়েদ (ৰাঃ)য়ে মিৰদাছ বিন নহিকক হত্যা কৰিছিল, যিয়ে **লা ইলাহা ইল্লাল্লাহু কলিমা** পাঠ কৰিছিল। বুখাৰীত এই ঘটনাৰ বিস্তাৰিত বিৱৰণ হজৰত উছামা বিন জায়েদ (ৰাঃ)ৰ পৰা বৰ্ণিত আছে যে নবী কৰিম (ছাঃ)য়ে যেতিয়া এই খবৰ পায়, তেতিয়া উছামাক সুধে হে উছামা ! তেওঁ লা ইলাহা ইল্লাল্লাহু কলিমা পাঠ কৰাৰ পিছতো তুমি তেওঁক হত্যা কৰিছা নে ? তেওঁ কলে যে সেইজন ব্যক্তিয়ে নিজকে বচোৱাৰ বাবে এই কলিমা পাঠ কৰি আছিল। তেখেত (ছাঃ)য়ে লগাতাৰ এই কথা পুনৰাবৃত্তি কৰি থাকিল ইমানে যে মই এই ইচ্ছা কৰিলোঁ যে মই এই দিনৰ আগতে যদি মুছলমান নহলোহেঁতেন। মুছলিম শ্বৰীফে এই বৰ্ণনাক এইদৰে বৰ্ণনা কৰিছে যে তুমি তেওঁৰ হৃদয়খন কিয় ফালি পেলোৱা নাই যাতে তুমি জানিব পাৰিলাহেঁতেন যে তেওঁ এইটো অন্তৰেৰে কৈছিল নে নাই ?

হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে যে বৰ্তমানৰ মৌলবী সকলে এয়া ভাৱে যে তেওঁলোকে আহমদী

সকলৰ হৃদয় ফালি দেখিছে সেই কাৰণে আহমদী সকলক শ্বহীদ কৰি আছে আৰু আহমদী সকলৰ ওপৰত অত্যাচাৰ কৰাটো বৈধ বুলি ভাবে। আল্লাহ তা'লা তেওঁলোকক অতি সোনকালে গ্ৰেপ্তাৰ কৰক।

এটা বৰ্ণনাত আছে যে ৰছুলে কৰিম (ছাঃ)য়ে মিৰদাছৰ বাসিন্দা সকলক ইয়াৰ জৰিমনা দিয়াৰ নিৰ্দেশ দিলে আৰু তেওঁৰ সা-সম্পদ উভতাই দিলে। হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে এই ঘটনাক এনেদৰে বৰ্ণনা কৰিছে যে যেতিয়া ৰছুলুল্লাহ (ছাঃ)ক এই যুদ্ধৰ খবৰ দিয়াৰ বাবে এজন অধাৰ্মিক ব্যক্তিয়ে মদিনালৈ যায়, তেওঁৰ যুদ্ধৰ সকলোবোৰ পৰিস্থিতি বৰ্ণনা কৰা সময়ত এই ঘটনাটোও বৰ্ণনা কৰিলে, ইয়াৰ পিছত ৰছুলে কৰিম (ছাঃ)য়ে উছামাক মাতি সুধিলে যে তুমি সেই মানুহজনক হত্যা কৰিছা নে ? তেওঁ উত্তৰ দিলে যে হয়, তেখেত (ছাঃ)য়ে কলে যে কিয়ামতৰ দিনা তুমি কি কৰিবা যেতিয়া **লা ইলাহা ইল্লাল্লাহু** তোমাৰ বিৰুদ্ধে সাক্ষী দিব ?

হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে মই প্ৰথমে কৈছো যে এই মৌলবী আৰু তেওঁৰ শিষ্য যিসকল আজিকালি পাকিস্তানত আছে বেহেস্তত প্ৰৱেশ কৰাৰ দাবী কৰি কয় যে আহমদীসকলক হত্যা কৰা, বেহেস্তত প্ৰৱেশ কৰিব পাৰিবা। কিন্তু তেওঁলোকে নাজানে যে এই কৰ্মই তেওঁলোকক শাস্তিৰ যোগ্য কৰি তুলি আছে কেতিয়াবা আল্লাহৰ গ্ৰেপ্তাৰীত আহিয়ে যাব।

আৰু এটা অভিযান হজৰত বশ্বিৰ বিন ছাআদ যিটো ইয়ামন আৰু জাবাৰৰ ফালে চলিছিল। এই অভিযান শ্বৱাল মাহৰ ৭ হিজৰী তাৰিখত হৈছিল। ৰছুলে কৰিম (ছাঃ)য়ে সংবাদ পায় যে গোতফানৰ এটা দলে তেখেত (ছাঃ)ৰ বিৰুদ্ধে একগোট হৈ আছে; উয়িনা বিন হিছানে তেখেত (ছাঃ)ৰ বিৰুদ্ধে তেওঁলোকৰ সহায় কৰাৰ প্ৰতিশ্ৰুতি দিছিল। তেখেত (ছাঃ)য়ে হজৰত আবু বক্কৰ (ৰাঃ) আৰু হজৰত উমৰ (ৰাঃ)ৰ পৰা পৰামৰ্শ লৈ হজৰত বশ্বিৰ বিন ছাআদ (ৰাঃ)ক আৰু তেওঁৰ লগতে তিন শ চাহাবাক ৰাওনা কৰে। যেতিয়া তেওঁলোকে জাবাৰ স্থানত উপস্থিত হয়, গোতফানৰ লোক সকলে এই সংবাদ পাই নিজৰ সা-সম্পদ আৰু জন্তুবোৰক এৰি নিজৰ অঞ্চলৰ কোনো ওখ স্থানলৈ পলায়ন কৰে। তেওঁলোকৰ মাজৰ কেৱল দুজন মানুহ ধৰা পৰিল যিসকলক গ্ৰেপ্তাৰ কৰা হৈছিল। চাহাবা (ৰাঃ) সকলে নিজৰ ভেড়া-ছাগলী আৰু উট নিজৰ অধীন কৰি বন্দী সকলক লৈ মদিনালৈ উভতি আহে। ইয়াৰ পিছত সেই দুয়োজন বন্দীয়ে মুছলমান হৈ যায়, পিছত তেখেত (ছাঃ)য়ে তেওঁলোকক নিজৰ অঞ্চললৈ যাবলৈ দিলে।

উমৰাতুল কাজাৰ ব্যাখ্যা এনেদৰে, ৰছুলুল্লাহ (ছাঃ)য়ে জুলকাদা ৭ হিজৰী চনত ফেব্ৰুৱাৰী ৬২৯ চনত উমৰাতুল কাজাৰ বাবে ৰাওনা হয়। এইটো সেই মাহ আছিল যে যোৱা বছৰ মক্কাৰ পৌত্তলিক সকলে তেখেত (ছাঃ)ক উমৰা কৰিবলৈ দিয়া নাছিল। হুদায়বিয়া ঠাইৰ পৰা তেখেত (ছাঃ)য়ে উভতি আহিছিল। সেয়ে এই উমৰা পৰিপূৰ্ণ কৰাৰ বাবে তেখেত (ছাঃ)য়ে গৈ উপস্থিত হয়। উমৰাৰ বাবে ৰাওনা হোৱাৰ বিৱৰণ এনেদৰে বৰ্ণনা কৰা হৈছে যে এই উমৰাত আঁহজৰত (ছাঃ)ৰ সৈতে দুই হাজাৰ চাহাবা (ৰাঃ) আছিল। তেখেত (ছাঃ)ৰ সৈতে কোৰবাণীৰ ৬০ টা উট আছিল। তেখেত (ছাঃ)য়ে চাহাবা সকলৰ সমাৱেশত সিহঁতৰ লগতে তালবিহ (হজ্ব কৰা সময়ত যি বাক্য পঢ়া হয়) পঢ়ি থাকি হৰমৰ ফালে আগবাঢ়িল। কোৰবাণীৰ জন্তুবোৰ যুল তুৱালৈ পঠিওৱা হ'ল। তেখেত (ছাঃ)য়ে নিজৰ উট কাছৱা আৰোহীৰ ওপৰত আছিল। তেখেত (ছাঃ)য়ে মছজিদে হাৰামত উপস্থিত হৈ ইজতিবা কৰিলে অৰ্থাৎ চাদৰখন এনেদৰে মেৰোৱাই ললে যে তেখেতৰ সোঁ ফালৰ কান্ধ আৰু বাহু ওলাই পৰিল। তেখেত (ছাঃ)য়ে কলে খোদা সেইসকলৰ ওপৰত দয়া বৰ্ষণ কৰক যিসকলে কাফিৰৰ সমুখত আছে নিজৰ শক্তি প্ৰকাশ কৰক। ইয়াৰ

পিছত তেখেত (ছাঃ)য়ে নিজৰ চাহাবা (ৰাঃ)সকলৰ সৈতে প্ৰদিক্ষণৰ তিনিটা চক্ৰত নিজৰ মূৰ জোকাৰি বৰ গৌৰৱেৰে খোজকাঢ়ি প্ৰদিক্ষণ কৰিলে।

সেই সময়ত আঁহজৰত (ছাঃ)য়ে হজৰত মায়মুনা বিনতে হাৰিছ (ৰাঃ)ৰ সৈতে বিয়া পতাৰ উল্লেখ পোৱা যায়। আঁহজৰত (ছাঃ)য়ে মক্কাত তিনি দিন অৱস্থান কৰে। চতুৰ্থ দিনা মক্কা সকলৰ চাহিদা অনুযায়ী তেখেত (ছাঃ)য়ে সোনকালে সমগ্ৰ চাহাবা সকলৰ সৈতে মক্কাৰ পৰা ৰাওনা হয়।

এই যাত্ৰাত হজৰত হামজা (ৰাঃ)ৰ কণ্যাৰ ঘটনাৰ উল্লেখ পোৱা যায়। নবী কৰিম (ছাঃ)য়ে যেতিয়া মক্কাৰ ফালে ৰাওনা হয় তেতিয়া হজৰত হামজা (ৰাঃ)ৰ ছোৱালী তেখেত (ছাঃ)ৰ পিছফালৰ পৰা চিঞৰি চিঞৰি আহি কয় যে হে মোৰ খুৰা! হে মোৰ খুৰা! ইয়াৰ পিছত হজৰত আলী (ৰাঃ)য়ে তাইক হাত ধৰি হজৰত ফাতিমা (ৰাঃ)ক কয় যে নিজৰ খুৰাৰ ল'ৰাক লৈ লোৱা। ইয়াৰ পিছত তাইক আৰোহীৰ ওপৰত বহাই লয়। হজৰত আলী (ৰাঃ), হজৰত জায়েদ (ৰাঃ) আৰু হজৰত জাফৰ (ৰাঃ)য়ে তাইৰ সম্বন্ধে বিবাদ কৰে, নবী কৰিম (ছাঃ)য়ে ইয়াৰ সিদ্ধান্ত তাইৰ মাহীৰ সপক্ষে কৰি কলে যে মাহী মাতৃ সদৃশ। হজৰত আলী (ৰাঃ)য়ে কলে যে আপুনি (হজৰত মহম্মদ ছাঃ) হজৰত হামজা (ৰাঃ)ৰ ছোৱালীৰ সৈতে বিয়া নাপাতিব নে ? তেখেত (ছাঃ)য়ে কলে যে তাই মোৰ নিজস্ব ভাইৰ ছোৱালী। এই আত্মীয়ৰ সৈতে বিয়া কৰা বৈধ নহয়। আঁহজৰত (ছাঃ)য়ে জুলহজ্জা মাহত মদিনালৈ উভতি আহে।

এটা অভিযান আখৰম বিন আবি উজা বনু ছুলাইমৰ ফালে চলিছিল। এই অভিযান জুলহিজ্জাৰ ৭ হিজৰী তাৰিখত হৈছিল। তেখেত (ছাঃ)য়ে হজৰত আখৰম (ৰাঃ)ক ৫০ জন ব্যক্তিৰ সৈতে বনু ছুলাইমৰ ফালে ৰাওনা কৰে, যিসকলে মদিনাৰ কাষতে অৱস্থান কৰিছিল। বনু ছুলাইমৰ এজন গুপ্তচৰ তেখেত (ছাঃ)ৰ লগত আছিল। তেওঁ আগবাঢ়ি গৈ নিজৰ জাতিক সতৰ্ক কৰি দিছিল; ইয়াৰ পিছত তেওঁলোকে এটা বিশাল সেনা-বাহিনী একগোট কৰি লৈছিল। হজৰত আখৰাম (ৰাঃ)য়ে যেতিয়া তেওঁৰ কাষ চাপে তেতিয়া বনু ছুলাইমে তেওঁৰ সৈতে যুঁজিবলৈ প্ৰস্তুত হৈ যায়। তেখেত (ৰাঃ)য়ে তেওঁক ইছলামৰ ফালে নিমন্ত্ৰণ জনায় তেতিয়া তেওঁ অস্বীকাৰ কৰে। ইয়াৰ পিছত উভয় পক্ষই কাঁড় নিক্ষেপ কৰিব ধৰিলে। তেতিয়া বনু ছুলাইমৰ শক্তি অধিক বৃদ্ধি পালে যাৰ ফলত মুছলমান সকলক চাৰিওফালৰ পৰা ঘেৰাও কৰে। মুছলমান সকলে কঠিন যুদ্ধ যুঁজি থাকিল ইমানে যে তেওঁলোকৰ অধিকাংশই শ্বহীদ বৰণ কৰিলে আৰু হজৰত আখৰাম (ৰাঃ)য়ো শ্বহীদ সকলৰ সৈতে গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হৈ গ'ল। ইয়াৰ পিছত প্ৰথম ছফৰ মাহৰ ৮ হিজৰী তাৰিখত ৰছুলুল্লাহ (ছাঃ)ৰ ওচৰত গৈ পায়।

আৰু এটা অভিযান হজৰত গালিব বিন আব্দুল্লাহ লায়ছি কাদিদৰ ফালে হোৱা বুলি উল্লেখ আছে। ৰছুলুল্লাহ (ছাঃ)য়ে ছফৰ মাহৰ ৮ হিজৰী তাৰিখত বনু লায়ছিৰ শাখা বনু মুলাওৱাৰ ফালে পোন্ধৰ জন সদস্যৰ সৈতে ৰাওনা কৰে, যিসকলে কাদিদত বসবাস কৰিছিল। এই অভিযানত মুছলমান সকলৰ পোহৰ জিলিকি উঠিছিল।

এই অভিযানৰ সংক্ষিপ্ত বিৱৰণ দাঙি ধৰাৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে যে এই ঘটনাবোৰ অব্যাহত থাকিব। এতিয়া মই পাকিস্তানৰ আহমদী সকলৰ বাবে বিশেষকৈ দোৱাৰ প্ৰতি মনোযোগ আকৰ্ষণ কৰিব বিচাৰো। যিদৰে মই কৈছিলো যে দৰুদ শ্বৰীফ পাঠ কৰাৰ প্ৰতি গুৰুত্ব দিয়া আৰু দুই শ বাৰ **ছুবহানাল্লাহ ওৱা বিহামদিহি ছুবহানাল্লাহিল আজিম আল্লাহুম্মা ছাল্লি আলা মুহাম্মাদিন ওৱা আলে মুহাম্মাদ** পঢ়া উচিত। বৰ্তমান এইফালে যিমান পাৰে গুৰুত্ব দিব। যেতিয়া আমি দোৱাৰ অধিকাৰ পালন কৰি দোৱাৰ

প্ৰতি গুৰুত্ব দিম তেতিয়াহে সফল হ’ব পাৰিম; যিমান দোৱাৰ প্ৰতি গুৰুত্ব দিয়া উচিত আছিল সেই অনুযায়ী গুৰুত্ব দিয়া হোৱা নাই। কিছুমান লোকসকলে মোলৈ লিখে যে কেৱল দোৱাৰ জৰিয়তে একোৱে হ’ব নোৱাৰে আন কিবা কৰা উচিত; আন কি কৰা উচিত ? আমাৰ অস্ত্ৰ হৈছে দোৱা; এই সন্দৰ্ভত কেইবাবাৰো বৰ্ণনা কৰিছোঁ। হজৰত মছীহ মাওউদ (আঃ)ৰ উদ্ধৃতি বৰ্ণনা কৰিছোঁ। এইটো অতিশয় ভুল ধাৰণা যে দোৱাৰ ফলত একোৱে হ’ব নোৱাৰে। দোৱা হ’ল আমাৰ সফলতাৰ সমাধান। আল্লাহ তা’লা সকলোকে ইয়াৰ সৌভাগ্য দান কৰক আৰু আমি যেন দোৱাৰ অধিকাৰ পালন কৰিব পাৰো। যদি আমি এয়া কৈ দিওঁ যে দোৱাৰ ফলত একোৱে হ’ব নোৱাৰে, আৰু অধিকাৰ পালন নকৰা এইটো ভুল অভিযোগ যিটো আমি আল্লাহৰ ওচৰত কৰিম। গতিকে ইয়াৰ বাবে ক্ষমা বিচৰা উচিত। আজি কাৰাচীত এটা ঘটনা সংঘটিত হৈছে। দাঙ্গাকাৰী আৰু উগ্ৰবাদী যিসকল নামধাৰী মুছলমান তেওঁলোকে আমাৰ মছজিদৰ ওপৰত আক্ৰমণ কৰিছে আৰু এজন আহমদীক শ্বহীদ কৰি পেলাইছে। ইন্না লিল্লাহি ওৱা ইন্না ইলায়হি ৰাজিউন। ইয়াৰ বিস্তাৰিত বিৰৰণ এতিয়ালৈকে পোৱা নাই, যেতিয়া বিস্তাৰিত বিৰৰণ আহিব তেতিয়া বৰ্ণনা কৰিম; ইনশা আল্লাহ- আল্লাহ তা’লা সেই অত্যাচাৰী সকলক অতি সোনাকলে গ্ৰেপ্তাৰ কৰক।

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَن يَّهْدِهِ اللّٰهُ فَلَا مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلَا هَادِيَ لَهٗ وَنَشْهَدُ أَنْ لَّا اِلٰهَ اِلَّا اللّٰهُ وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ، عِبَادَ اللّٰهِ رحمکم اللّٰه اِنَّ اللّٰهَ يَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِى الْقُرْبٰى وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ۔

**ASSAMESE KHULASA KHUTBA JUMA HUZUR ANWAR [aba] 18 APRIL 2025**

## BOOK POST (PRINTED MATTER)

TO,

..................................................................................................................................

..................................................................................................................................

..................................................................................................................................

NASHOR-O ISHAAT QADIAN, DIST GURDASPUR,143516 PUNJAB